**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 22-09-2025**
**Time :** 1205 Hrs

***Assamese Midday Bulletin***
**---------------------------**

০০০০০০

ৰাজ্যৰ সংগীত ক্ষেত্ৰত বৃহৎ শূন্যতাৰ সৃষ্টি কৰি আকস্মিকভাৱে আঁতৰি যোৱা প্ৰাণৰ শিল্পী জুবিন গাৰ্গক অনুৰাগীসকলে অভূতপূৰ্ব ৰূপত শ্ৰদ্ধা জ্ঞাপন কৰিছে। হিয়াৰ আমঠু শিল্পীগৰাকীক শেষ দৰ্শনৰ বাবে সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত কালি গোটেই নিশা অজস্ৰ গুণমুগ্ধই ভিৰ কৰে। এই বিৰল অভিজ্ঞতা সন্দৰ্ভত আমাৰ গুৱাহাটীৰ সংবাদদাতা হেমন্ত বৰাই এইদৰে কয় –

বাইট

শিল্পীগৰাকীক সকলো অনুৰাগীয়ে শ্ৰদ্ধাঞ্জলি জনাব পৰাকৈ আজিও ষ্টেডিয়াম খোলা থাকিব। জুবিন গাৰ্গৰ মৃত্যুত ঘোষণা কৰা ৰাজ্যিক শোক কাইলৈ পৰ্যন্ত বৃদ্ধি কৰা হৈছে।

ইপিনে, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত কালি  সন্ধিয়া দিছপুৰৰ লোকসেৱা ভৱনত অনুষ্ঠিত কেবিনেট বৈঠকত জুবিন গাৰ্গৰ শেষকৃত্য যোৰাবাটৰ সমীপৰ কমাৰকুছিত কাইলৈ সম্পন্ন কৰাৰ বাবে সিদ্ধান্ত লোৱা হয়। পৰিয়ালৰ ইচ্ছা অনুসৰি এই সিদ্ধান্ত লোৱা হৈছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। সেই স্থানতে প্ৰিয় শিল্পীগৰাকীৰ সমাধিক্ষেত্ৰ নিৰ্মাণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে লগতে উল্লেখ কৰে। জনতাৰ শিল্পীগৰাকীৰ চিতাভস্মৰে যোৰহাট জিলাতো এখন সমাধিক্ষেত্ৰ নিৰ্মাণ কৰাৰ বাবে মন্ত্ৰীসভাই সিদ্ধান্ত লয়।

মুখ্যমন্ত্ৰী ড° শৰ্মাই কালি নিশা কমাৰকুছিৰ নিৰ্ধাৰিত ক্ষেত্ৰ পৰিদৰ্শন কৰে। শিল্পীগৰাকীৰ শেষকৃত্যৰ বাবে এই ঠাইখিনি সাজু কৰি তুলিবলৈ প্ৰয়োজনীয় সকলো কাম কৰা হৈছে বুলি তেওঁ প্ৰকাশ কৰে।

ৰাজ্যিক মৰ্যাদাৰে শিল্পীগৰাকীৰ অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰা হ'ব। এই সময়ছোৱাত সকলো চৰকাৰী-বেচৰকাৰী বিদ্যালয়, অন্যান্য প্ৰতিষ্ঠান তথা চৰকাৰৰ কাৰ্যসূচীসমূহ বন্ধ থাকিব। কাইলৈ শেষকৃত্যত হ'বলগীয়া ভিৰৰ প্ৰতি লক্ষ্য ৰাখি দিনৰ ২ বজালৈ ৰাষ্ট্ৰীয় ঘাইপথ বন্ধ থাকিব।

জুবিন গাৰ্গৰ অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন হোৱাৰ পাছতে তেওঁৰ মৃত্যুৰ বিষয়টোৰ তদন্ত কৰা হ'ব বুলি মুখ্যমন্ত্ৰী শৰ্মাই প্ৰকাশ কৰিছে।

ইপিনে, ছিংগাপুৰস্থিত ভাৰতৰ উচ্চায়ুক্তই জুবিন গাৰ্গৰ মৃত্যু সন্দৰ্ভত দিয়া প্ৰমাণপত্ৰত পানীত ডুবি শিল্পীগৰাকীৰ মৃত্যু হোৱা বুলি প্ৰকাশ পাইছে।

০০০০০০০

বিটিচি পৰিষদীয় নিৰ্বাচনৰ ভোটগ্ৰহণ আজি পুৱাৰে পৰা অনুষ্ঠিত হৈছে। ভোট কেন্দ্ৰ সমূহত পুৱাৰে পৰা ভোটদাতাই নিজৰ ভোটৰ অধিকাৰ সাব্যস্ত কৰাৰ বাবে দীঘলীয়া শাৰী পতা পৰিলক্ষিত হৈছে। বিটিচিৰ মুঠ ৪০ টা সমষ্টিৰ বাবে ৩ হাজাৰ তিনিশ ৫৯ টা ভোটকেন্দ্ৰত ভোট গ্ৰহণ কৰা হৈছে। শেহতীয়া

তথ্য অনুসৰি ওদালগুৰি জিলাত চাৰে ৯ বজালৈকে ১০ শতাংশৰো অধিক ভোটদান হৈছে। চিৰাং জিলাতো ১৭ শতাংশৰো অধিক ভোটদান হৈছে বুলি জানিব পৰা গৈছে।

এইবাৰ নিৰ্বাচনত ৩১৬ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দিতা আগবঢ়াইছে। ২৬ লাখ ৫৮ হাজাৰ ১৫৩ গৰাকী ভোটাৰে এইসকল প্ৰাৰ্থীৰ ভাগ্য নিৰ্ণয় কৰিব। উল্লেখযোগ্য যে, বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য তথা ইউ পি পি এলৰ মুৰববী প্ৰমোদ বড়োৱে গয়বাৰী আৰু দোতমা সমষ্টিত প্ৰতিদ্বন্দিতা কৰিছে। বি পি এফৰ মুৰববী তথা প্ৰাক্তন মুখ্য কাৰ্যবাহী সদস্য হাগ্ৰামা মহিলাৰীয়ে দেবৰ গাঁও আৰু চিৰাং দুৱাৰ সমষ্টিত প্ৰতিদ্বন্দিতা কৰিছে। বিটিআৰৰ অন্যান্য পৰিষদীয় সমষ্টিৰ লগতে ওদালগুৰি জিলাৰ ১০ টা সমষ্টিৰ ভোটকেন্দ্ৰ সমূহতো পুৱাৰে পৰা ভোটাৰৰ দীঘলীয়া শাৰী দেখা গৈছে।

ইপিনে চিৰাং জিলাৰ ৭ টা পৰিষদীয় সমষ্টিৰ ভোটকেন্দ্ৰ সমূহতো পুৱাৰে পৰা ভোটদাতাই ভিৰ কৰিছে। বাক্সা জিলাৰ ভোটকেন্দ্ৰ সমূহতো ভোটাৰৰ যথেষ্ট ভিৰ দেখা গৈছে। তামুলপুৰ জিলাৰ গয়বাৰী পৰিষদীয় সমষ্টিৰ সৌৰাগুৰি প্ৰাথমিক বিদ্যালয়ত আজি পুৱাতে বিটিচিৰ মুৰববী প্ৰমোদ বড়োৱে ভোটদান কৰে। বিটিচিৰ প্ৰাক্তন মুৰববী হাগ্ৰামা মহিলাৰীয়ে আজি কোকৰাঝাৰ জিলা দেবৰগাঁও স্কুলত ভোটদান কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জি এছ্ টিৰ পৰিৱৰ্তনক পৰৱৰ্তী প্ৰজন্মৰ সংস্কাৰ বুলি উল্লেখ কৰি কয়, যে এই ব্যৱস্থাই ভাৰতৰ অৰ্থনীতি সবল কৰাৰ লগতে মধ্যবিত্ত, যুৱ আৰু উপভোক্তাসকলক সকাহ দিব। আজি নৱৰাত্ৰিৰ প্ৰথম দিনটোৰ পৰা কাৰ্যকৰী হ'বলগীয়া জি এছ্ টিৰ নতুন সংস্কাৰ সন্দৰ্ভত কালি দেশবাসীক সম্বোধন কৰি দিয়া ভাষণত প্ৰধানমন্ত্ৰীয়ে এইদৰে প্ৰকাশ কৰে। এই নতুন জি এছ্ টি সংস্কাৰক সঞ্চয় উৎসৱ বুলি উল্লেখ কৰি শ্ৰীমোদীয়ে কয়, যে এই ব্যৱস্থাই কৰ ৰাহি কৰাৰ লগতে অত্যাৱশ্যকীয় সামগ্ৰীৰ দাম হ্ৰাস কৰিব। এই নতুন কৰ সংস্কাৰৰ জৰিয়তে দেশে আত্মনিৰ্ভৰ ভাৰতৰ দিশত গুৰুত্বপূৰ্ণ পদক্ষেপ লৈছে বুলি তেওঁ লগতে প্ৰকাশ কৰে।

আজিৰে পৰা প্ৰযোজ্য হ'বলগীয়া নতুন জি এছ্ টিত পূৰ্বৰ ১২ আৰু ২৮ শতাংশ কৰ আঁতৰাই ৫ আৰু ১৮ শতাংশ কৰ আৰোপ কৰা হৈছে।

ooooo

আকাশবাণী গুৱাহাটীৰ প্ৰাক্তন বাতৰি পঢ়োঁতা গোলাপ শইকীয়াৰ পঞ্চম মৃত্যু বাৰ্ষিকী উপলক্ষে অষ্টম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে অসমীয়াত অনলাইন বাতৰি পঢ়া প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। ইচ্ছুক প্ৰতিযোগীয়ে সাম্প্ৰতিক ঘটনাৱলী সম্পৰ্কীয় ১ মিনিটৰ বাতৰিৰ অ'ডিঅ' মোবাইল ফোন অথবা অডিঅ' ৰেকৰ্ডাৰত ৰেকৰ্ড কৰি ২৪ ছেপ্তেম্বৰৰ পূৰ্বে এম-পি থ্ৰী ৰূপত হোৱাট্ছএপযোগে পঠিয়াব লাগিব। হোৱাট্ছএপ নম্বৰকে ধৰি প্ৰতিযোগিতাৰ সবিশেষ জানিবলৈ ইচ্ছুক প্ৰতিযোগীয়ে আমাৰ ফেচবুক পেজ এ আই আৰ নিউজ গুৱাহাটী চাব পাৰে।

ooooooo

**সমাপ্ত**